# অসমৰ উদ্যোগ আৰু কুটীৰ শিল্প

## প্ৰশ্নোত্তৰ

**প্ৰশ্ন ১ : তলত দিয়া উদ্যোগসমূহ অসমত ক'ত আছে লিখা—**

**(ক) তেল শোধনাগাৰ থকা ঠাই।**

**(খ) কয়লাখনি থকা ঠাই।**

**(গ) জুইশলা কাৰখানা থকা ঠাই।**

**(ঘ) কাগজ কল থকা ঠাই।**

**(ঙ) তাপবিদ্যুৎ প্ৰকল্প থকা ঠাই।**

**উত্তৰ :** (ক) তেল শোধনাগাৰ থকা ঠাই — ডিগবৈ, নুমলীগড়, নুনমাটি।

(খ) কয়লাখনি থকা ঠাই — লিডু, বৰগোলাই, টিপং, জয়পুৰ শিলভেটা, লেখাপানী, আৰু কাৰ্বি আংলং।

(গ) জুইশলা কাৰখানা থকা ঠাই — ধুবুৰী।

(ঘ) জলবিদ্যুৎ প্ৰকল্প থকা ঠাই — নামৰূপ, চন্দ্ৰপুৰ, চালাকাটি।

**প্ৰশ্ন ২ : অসমৰ প্ৰসিদ্ধ কুটীৰ শিল্পসমূহৰ নাম আৰু সেইবোৰ উৎপাদনৰ ঠাইৰ নাম লিখা।**

**উত্তৰ :** অসমৰ প্ৰসিদ্ধ কুটীৰ শিল্প সমূহ হ'ল — বয়ন শিল্প, কাঁহ শিল্প, পিতল শিল্প, বাঁহ শিল্প আৰু গহনা শিল্প।

| | |
|---|---|
| বয়ন শিল্পৰ উৎপাদনৰ ঠাই | শুৱালকুছি, ঢকুৱাখনা। |
| কাঁহ শিল্পৰ উৎপাদনৰ ঠাই | সৰ্থেবাৰী। |

| | |
|---|---|
| পিতল শিল্পৰ উৎপাদনৰ ঠাই | হাজো। |
| বাঁহ শিল্পৰ উৎপাদনৰ ঠাই | নলবাৰী। |
| গহনা শিল্পৰ উৎপাদনৰ ঠাই | যোৰহাট, নগাঁও, বৰপেটা। |

**প্ৰশ্ন ৩ : তলত উল্লেখ কৰা সামগ্ৰীবোৰ কোনবিধ কুটীৰ শিল্পৰ দ্বাৰা উৎপাদিত লিখা।**

**গামোচা, গলপতা, থুৰীয়া, টেকেলী, কাহি-বাতি, বিচনী, চাকি, জোনবিৰি, জাটক।**

**উত্তৰ :**

| | |
|---|---|
| গামোচা | বয়ন শিল্পৰ দ্বাৰা উৎপাদিত। |
| গলপতা, থুৰীয়া, জোনবিৰি | গহনা শিল্পৰ দ্বাৰা উৎপাদিত। |
| টেকেলী | মৃৎ শিল্পৰ দ্বাৰা উৎপাদিত। |
| কাঁহী-বাতি | কাঁহ শিল্পৰ দ্বাৰা উৎপাদিত। |
| বিচনী, ঢাৰি, জাকৈ | বাঁহ শিল্পৰ দ্বাৰা উৎপাদিত। |

## অতিৰিক্ত প্ৰশ্নোত্তৰ

**প্ৰশ্ন ১ : কুটীৰ শিল্প কাক বোলে ?**

**উত্তৰ :** যি উদ্যোগত কম মূলধন, কম শ্ৰমিক আৰু সাধাৰণ যন্ত্ৰপাতি ব্যৱহাৰ কৰি ঘৰুৱাভাৱে প্ৰয়োজনীয় সামগ্ৰী প্ৰস্তুত কৰা হয় তাক কুটীৰ শিল্প বোলে।

**প্ৰশ্ন ২ : কুটীৰ শিল্পৰ পৰা পোৱা সুবিধাসমূহ লিখা।**

**উত্তৰ :** কুটীৰ শিল্পৰ পৰা উৎপাদিত সামগ্ৰীবোৰ আমাৰ কামত ব্যৱহাৰ কৰিব পাৰি। কুটীৰ শিল্পক জীৱিকা হিচাপে ল’ব পাৰি; ই কৰ্ম সংস্থাপনৰ পথ মুকলি কৰে। এই শিল্পৰ

জৰিয়তে দেশৰ ঐতিহ্য, কলা-সংস্কৃতি ৰক্ষা কৰিব পাৰি। ইয়াত উৎপাদিত সামগ্ৰীবোৰ দেশৰ ভিতৰতে বিক্ৰী কৰি আৰু দেশৰ বাহিৰলৈ ৰপ্তানি কৰি অৰ্থ উপাৰ্জন কৰিব পাৰি।

**প্ৰশ্ন ৩ : উদ্যোগৰ বাবে আৱশ্যকীয় উপাদানবোৰ কি কি লিখা।**

**উত্তৰ :** কেঁচা সামগ্ৰী, শ্ৰমিক, শক্তি, পৰিবহন, পানী, জলবায়ু, বজাৰ আৰু বিত্ত।